**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত কালি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনি উদ্বোধন কৰে। এই অনুষ্ঠানতে কৃষি বিভাগৰ অধীনৰ মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ জৰিয়তে ৫০০ কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীলৈ ১৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰো শুভাৰম্ভ কৰা হয়। তদুপৰি মন্ত্ৰীগৰাকীৰ উপস্থিতিত ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু সমবেশী জীৱিকা অভিযানৰ অধীনতো ১২০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১ লাখ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ তথা কৃষি সাৰথি ডিজিটেল এপ মুকলি কৰা হয়।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এহেজাৰ ৮১৯ কোটি ৯১ লাখ টকা আবণ্টন দিয়ে। এই ধনৰ জৰিয়তে এহেজাৰ ৫২২ কিলোমিটাৰ পথ আৰু ৬২খন দলং নিৰ্মাণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। কৃষিমন্ত্ৰী শ্ৰীচৌহানে আজি মাজুলী জিলা ভ্ৰমণ কৰিব।

oooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি স্থাপিত HDFC বেংক টেক এণ্ড ডিজিটেল ফেক্টৰীত কালি গুৱাহাটীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। HDFC দেশৰ ভিতৰত চতুৰ্থটো এনেধৰণৰ সুবিধা অসমত স্থাপন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে বেংক কৰ্তৃপক্ষৰ শলাগ লয়। তেওঁ ডিজিটেল আৰু প্ৰযুক্তি নিৰ্ভৰ বেংকিঙৰ দিশে অসমক শক্তিশালীভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। এই অনুষ্ঠানৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে টাটা ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰথমটো নিয়োগ অভিযান কালি অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত সম্পন্ন হয় বুলি জানিবলৈ দিয়ে। আমেৰিকাত শিক্ষা গ্ৰহণ কৰি অহা অসমৰ যুৱ শক্তিয়ে এই অভিযানত অংশগ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে।

**বাইট (চি এম)**

oooooo

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি টিংখাঙত সোণোৱাল কছাৰী সংগ্ৰহালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লগতে সোণোৱাল কছাৰীসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবেও ৰাজ্য চৰকাৰ সদায় দায়বদ্ধ বুলি মন্তব্য কৰে। টিংখাং সমষ্টিৰ ন-খাটৰ নিগম পাঁচআলিত ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটোৱে জনগোষ্ঠীটোৰ চহকী সংস্কৃতি আৰু পৰম্পৰাসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। সংগ্ৰহালয়টোত সোণোৱাল কছাৰী সমাজৰ লোকসংস্কৃতিৰ প্ৰদৰ্শনৰ লগতে বিভিন্ন সাংস্কৃতিক-সামাজিক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সুবিধা থাকিব।

oooooo

ডিব্ৰুগড় জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সন্থাৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষকমেলা অনুষ্ঠিত হৈছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই মেলা খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে

উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত বিধায়কগৰাকীয়ে চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন অভিলাসী আঁচনিৰ জৰিয়তে কৃষকসকল কেনেদৰে উপকৃত হ'ব পাৰে সেই সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে।

ইফালে ওদালগুৰি জিলাতো কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সন্থাৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে কৃষকমেলাৰ আয়োজন কৰা হৈছে। বিটিচি উপ প্ৰধান তথা কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীয়ে কালি এই মেলাৰ উদ্বোধন কৰে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন আজি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য ভৱেন্দ্ৰনাথ ডেকা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিশেষ বক্তা হিচাপে এন ই চি টি এ আৰ - নতুন দিল্লীৰ সঞ্চালকপ্ৰধান ড° অৰুণ কুমাৰ শৰ্মা উপস্থিত থাকিব। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাই প্ৰকাশ কৰা মতে এইবাৰ বিশিষ্ট সাহিত্যিক, অধ্যাপক নগেন শইকীয়াক ডি লীট সন্মান আৰু শিক্ষাবিদ ড° দীনেশ চন্দ্ৰ গোস্বামীক ডি এছ্ চি সন্মান আগবঢ়োৱা হ'ব। এই সমাৱৰ্তনত তিনিটা শৈক্ষিক বৰ্ষৰ ৭৯ গৰাকীক পি এইচ ডি, ৭৬৮ গৰাকীক স্নাতক-স্নাতকোত্তৰ আৰু ডিপ্ল'মাৰ প্ৰমাণপত্ৰ আগবঢ়োৱা হ'ব।

০০০০০০

**সমাপ্ত**